# শিক্ষাজ্যোতি

ৰাজ্যিক শিক্ষক দিৱস



## ৬২ তম্ শিক্ষক দিৱস, ২০২৩



শিক্ষা বিভাগ, অসম চৰকাৰ



**দাৰ্শনিক, পণ্ডিত, শিক্ষাবিদ, ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি মাননীয়**

**ড° সৰ্বপল্লী ৰাধাকৃষ্ণণদেৱলৈ সশ্ৰদ্ধ প্ৰণিপাত**

# সম্পাদনা সমিতি

মুখ্য উপদেষ্টা

**ডাঃ ৰণোজ পেগু,** माननीয় মন্ত্ৰী, শিক্ষা, ভৈয়াম জনজাতি কল্যাণ, জনগোষ্ঠীয় বিশ্বাস আৰু পৰম্পৰা (পুথিভঁৰাল আৰু সংগ্ৰাহালয়), অসম চৰকাৰ

উপদেষ্টামণ্ডলী

**শ্ৰী নাৰায়ণ কোঁৱৰ**, ভাৰতীয় প্ৰশাসনিক সেৱা, সচিব, উচ্চ শিক্ষা, বিদ্যালয় শিক্ষা আদি বিভাগ, অসম চৰকাৰ

**শ্ৰীমতী মমতা হোজাই**, অসম শিক্ষা সেৱা, সঞ্চালিকা, মাধ্যমিক শিক্ষা সঞ্চালকালয়, অসম

**শ্ৰীমতী সুৰঞ্জনা সেনাপতি**, অসম প্ৰশাসনিক সেৱা, সঞ্চালিকা, প্ৰাথমিক শিক্ষা সঞ্চালকালয়, অসম

**ড° নিৰদা দেৱী**, সঞ্চালিকা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

**শ্ৰীমতী পমী বৰুৱা**, অসম প্ৰশাসনিক সেৱা, সঞ্চালক, উচ্চ শিক্ষা সঞ্চালকালয়, অসম

সদস্যবৃন্দ

**শ্ৰীমতী ৰুমী চৌধুৰী**, অসম শিক্ষা সেৱা, উপ-সঞ্চালিকা, মাধ্যমিক শিক্ষা সঞ্চালকালয়, অসম

**ড° জোৱাহিৰা তাবাচ্ছুম**, অসম শিক্ষা সেৱা, উপ-সঞ্চালিকা, প্ৰাথমিক শিক্ষা সঞ্চালকালয়, অসম

**শ্ৰীমতী দিপীকা চৌধুৰী**, অসম শিক্ষা সেৱা, উপ-সঞ্চালিকা, মাধ্যমিক শিক্ষা সঞ্চালকালয়, অসম

**শ্ৰীমতী সুৰেখা ভূঞা**, ৰাজ্যিক প্ৰকল্প বিষয়া, সমগ্ৰ শিক্ষা অভিযান, অসম

**শ্ৰীমতী দীপা কুমাৰী বাচফ'ৰ**, ৰাজ্যিক প্ৰকল্প বিষয়া, সমগ্ৰ শিক্ষা অভিযান, অসম

**শ্ৰীমতী যুথিকা বৰা**, কনিষ্ঠ সহায়ক, মাধ্যমিক শিক্ষা সঞ্চালকালয়, অসম

**ৰাজ্যিক শিক্ষক দিৱস, ২০২৩**
**শিক্ষা বিভাগ, অসম চৰকাৰ**

RAJ BHAVAN
GUWAHATI

GOVERNOR
ASSAM

**Shri Gulab Chand Kataria**



## MESSAGE

I am immensely happy to learn that the Department of School Education, Govt.of Assam is going to celebrate the 62nd Teachers' day on 5th September 2023 as a mark of respect to the great visionary educationist, phoilosopher and former President of India Dr.Sarvepalli Radhakrishnan. To commemorate the occasion an e-booklet named 'Shikshajyoti' is also going to be launched.

Teachers are the real nation builders, as they infuse the young minds with strong values & inspire them to lead a life of respect and integrity. I salute the entire teaching fraternity across the country who has been exceptionally nurturing young minds and spreading the joys of education in society. On the occasion of Teachers' Day besides paying my deep sense of gratitude to the selfless service of the teachers.

I convey my warm wishes to all the teachers and thank them on the occasion for their immense and unparalleled role which help us in shaping our future. I at the same time pay my deepest tributes to our respected Dr. Sarvepalli Radhakrishnan who had been an inspiration for all of us. I wish successful launching of the e-booklet.

**Dated: August 19, 2023** **(Gulab Chand Katria)**

ড° হিমন্ত বিশ্ব শৰ্মা
**Dr. Himanta Biswa Sarma**

মুখ্যমন্ত্ৰী, অসম
**Chief Minister, Assam**



CMS.7/2023/463
Dispur 10 Bhado, 1430 Bhaskarabda
28th August, 2023

## MESSAGE

On this auspicious occasion of Teachers' Day, it is with immense pleasure that I extend my warmest greetings and appreciation to all the educators who tirelessly devote themselves to shaping the minds of our future generations. As we celebrate this significant day, the Education Department of the Government of Assam is proud to publish a souvenir that not only pays tribute to the unparalleled legacy of Dr. S Radhakrishnan but also highlights the indispensable role of teachers in empowering students as the future citizens of our nation and the world.

Dr. S Radhakrishnan, a philosopher, statesman, and renowned educator and former President of India exemplified the virtues of knowledge, wisdom, and altruism. As we delve into his life and philosophy, we are reminded of his steadfast dedication to education and his belief in the transformative power of teaching. His influential ideas shaped the educational landscape, emphasizing the importance of a holistic approach to learning, nurturing critical thinking, and fostering values that laid the foundation for a harmonious and prosperous society.

The souvenir intends to commemorate not only the remarkable contributions of Dr. S Radhakrishnan but also the countless educators who follow his footsteps, dedicating their lives to nurturing young minds. Teachers hold the immense responsibility of moulding the next generation, instilling them with knowledge, skills, and moral values that will equip them to navigate the challenges of the ever-changing world.

In today's rapidly evolving society, the role of a teacher extends far beyond the confines of the classroom. They are catalysts who ignite the spark of curiosity, guide students to discover their potential, and equip them with the skills required to become responsible global citizens. Teachers empower their students to think critically, encouraging them to question, analyze, and evaluate information, thereby nurturing a generation that drives progress, seeks justice, and embraces diversity.

ড° হিমন্ত বিশ্ব শৰ্মা
Dr. Himanta Biswa Sarma

মুখ্যমন্ত্ৰী, অসম
Chief Minister, Assam

सत्यमेव जयते

This publication aims to celebrate the extraordinary efforts of teachers across Assam who often go above and beyond their call of duty. It serves as a medium to acknowledge their unwavering commitment to education, their passion, and their relentless pursuit of excellence. It is a testament to the significant impact they make, not only in their students' lives but also in shaping the destiny of our nation.

In conclusion, on this occasion of Teachers' Day, let us remember the countless teachers who have dedicated their lives to nurturing young minds. May this publication serve as a fitting tribute to their unwavering commitment and may it inspire future generations to continue the noble profession of teaching. We wish the utmost success for this publication and hope that it reaches every corner of Assam to honor the tireless efforts of our esteemed teachers.

Happy Teachers' Day!

**(Dr. Himanta Biswa Sarma)**

**ৰণোজ পেগু**
মন্ত্ৰী
শিক্ষা, জনজাতি পৰিক্ৰমা (ভৈয়াম)
খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু
সংস্কৃতি (সংগ্ৰহালয় আৰু পুথিভঁৰাল
সঞ্চালকালয়)

সত্যমেব জয়তে

ব্লক - বি, তৃতীয় মহলা,
জনতা ভৱন, দিশপুৰ,
গুৱাহাটী - ৭৮১০০৬
দূৰভাষ ঃ ০৩৬১-২২৩৭০২৩
৯৯৫৪৭০৩৮২৫



# শুভেচ্ছাবাণী

মই জানিবলৈ পাই সুখী হৈছোঁ যে অসম চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগৰ উদ্যোগত বিশ্ব-দাৰ্শনিক, বিশ্ববৰেণ্য শিক্ষাবিদ তথা আমাৰ দেশৰ প্ৰাক্তন ৰাষ্ট্ৰপতি প্ৰয়াত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ দেৱৰ ওপজা দিনটোৰ লগত সংগতি ৰাখি ৬২ সংখ্যক শিক্ষক দিৱস উপলক্ষে “শিক্ষ্যাজ্যোতি” নামেৰে এখনি ই-বুকলেট প্ৰকাশৰ দিহা কৰা হৈছে।

শিক্ষকতা আছিল প্ৰয়াত ৰাধাকৃষ্ণণ দেৱৰ জীৱনৰ ধৰ্ম। সেয়েহে, এইজনা মহান ব্যক্তিৰ ওপজা দিনটো আমি সমগ্ৰ দেশতে শিক্ষক দিৱস হিচাপে উদযাপন কৰোঁ। আমি শিক্ষা লাভ কৰো আমাৰ প্ৰতিগৰাকী শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলৰ অক্লান্ত শ্ৰমৰ ফলশ্ৰুতিত। ভাৰতীয় গুৰু পৰম্পৰাত শিক্ষক হল ন্যায়, সত্য আৰু জ্ঞানৰ প্ৰতিমূৰ্তি, যাৰ উজ্জ্বল জ্যোতিৰ কিৰণেৰে আমাৰ সমাজখন সঠিক পথত আগবাঢ়ি যায়। শিক্ষক দিবসৰ এই শুভক্ষণত মই প্ৰতিগৰাকী শ্ৰদ্ধাৰ শিক্ষাগুৰুক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিলোঁ।

মই সম্পাদনা সমিতিৰ সদস্য সকলক তেওঁলোকৰ এই প্ৰয়াসৰ বাবে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে ই-বুকলেট খনে পাঠকৰ সমাদৰ লাভ কৰিব বুলি আশা কৰি অনুষ্ঠানটোৰ সফলতা আন্তৰিকতাৰে কামনা কৰিলোঁ।

(ডাঃ ৰণোজ পেগু)

অসম চৰকাৰ
सत्यमेव जयते
GOVERNMENT OF ASSAM

**Prof. (Dr.) Nani Gopal Mahanta**
ADVISER, EDUCATION TO THE GOVT. OF ASSAM
[IN THE RANK OF MINISTER OF STATE]
ROTARY WORLD PEACE FELLOW, UC, BERKELEY (2002-04)
VISITING FELLOW TO PRIO, NORWAY (2008)
VISITING PROFESSOR, DELHI UNIVERSITY (2018)

ASSAM SECRETARIAT
BLOCK-C, 2ND FLOOR,
JANATA BHAWAN, DISPUR,
GUWAHATI-781 006, ASSAM
OFFICE NO. : (0361)-2237131
E-mail ID : ng.mahanta@assam.gov.in



# MESSAGE

As we dwell deep into the behavior of societies, we realize that, it is the state of literacy and the prevailing educational psychology in a society which are primarily responsible for its development and success. A society behaves depending on the status of education and literacy of its individuals. A society which realizes the importance of schools for its children and has good schools and educational institutions backed by dedicated faculty; is on the right path towards development. An educated society can look after the needs of its children, students, youth as well as and elders and strive for development; taking everybody in account. A society which is educated nurtures the younger generation in a much better way than the uneducated society, so that they grow up to become content and happy individuals; contributing to the nation's growth.

On the occasion of 62nd Teachers' Day Celebration, as a mark of respect to the great visionary educationist, philosopher and ex-president of India Dr. Sarvepalli Radhakrishan, I offer my gratefulness and admiration to the dedications put forwarded by the teaching fraternity. The goal of true education is to provide knowledge that allows learners to dissect systems, develop opinions, and even strengthen character. Education's purpose isn't only to give children the necessary knowledge to pass tests, it helps develop critical thinking skills that help them interpret the latest news, make career moves, and become a lifelong student.

It is really delightful to receive the news that the Secondary Education Department is going to publish e-booklet named ***'Shikshajyoti'*** incorporating pictures of various good practices done by different schools and students of Assam. I extend my best wishes and gratitude to all the authors, staff etc. involved in the publication of the e-booklet and wish that this e-booklet will be successful in spreading light to the readers about the good practices initiated by the different schools and students of Assam.

I wish you all success in the publication of the e-booklet.

ngmahanta

**Adviser, Education**

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

**Dr. Om Prakash, IAS**
MISSION DIRECTOR

**Samagra Shiksha, Assam**
Kahilipara, Guwahati- 781019, Assam




**Message**

At the very outset, I appreciate the efforts made by the Department of Secondary Education, Assam towards the launch of *"Shikshajyoti*", an e-booklet to commemorate the birth anniversary of Dr. S. Radhakrishnan on the 5th of September, 2023. I pay my humble tributes to our former President and the great teacher-philosopher on this occasion.

This e-booklet mainly focuses on the good practices in schools across our state. It is hoped that *"Shikshajyoti"* will help in enlightening the readers about the latest developments and happenings in our school education sector, acting as a powerful tool for dissemination of information.

I take this opportunity to convey my warm greetings to all our teachers, who are continuously trying to improve their capabilities and build proficiency through research, and innovations. Also, would like to extend my gratitude and wish for continued support and cooperation from our colleagues in the education department, academia, and ministries.

Best Wishes!



Dr. Om Prakash, IAS
Mission Director
Samagra Shiksha, Assam

**Phone (Office): 0361-2386452, 2383108, FAX: 2380134**
Email: ssaassam@rediffmail.com

প্ৰাচীন কালৰেপৰা ভাৰতবৰ্ষৰ সমাজ জীৱনত শিক্ষাগুৰুসকলে অতি উচ্চ আসন অধিকাৰ কৰি আহিছে । ৰামায়ণ, মহাভাৰতৰ কাহিনীসমূহে আমাক সোঁৱৰাই দিয়ে একো একোজন গুৰুৰ অপৰিসীম প্ৰভাৱৰ কথা । মহাৰাজ দশৰথে নিজৰ অনিচ্ছা স্বত্বেও ৰাম-লক্ষ্মণক ঋষি বিশ্বামিত্ৰৰ সৈতে তাৰকা নিধনাৰ্থে যাবলৈ অনুমতি দিয়া কাৰ্যই সেই সময়ৰ সমাজ জীৱনত গুৰুৰ অসীম প্ৰভাৱৰ কথাকে সোঁৱৰায় । একেধৰণে মহাভাৰতত আমি দেখা পাওঁ যে কৌৰৱ-পাণ্ডৱসকলক সুশিক্ষা প্ৰদানৰ বাবে স্বয়ং ভীষ্মদেৱে গুৰু দ্ৰোণাচাৰ্য্যক সসন্মানে আমন্ত্ৰণ কৰি আনি ৰাজধানীৰ সমীপতে আশ্ৰম প্ৰতিষ্ঠা কৰি দিছিল । এনেকুৱা অজস্ৰ উদাহৰণৰ মাজৰ ওপৰোক্ত দুটা মাত্ৰ উদাহৰণৰ জৰিয়তে আমি ভাৰতীয় পৰম্পৰাত শিক্ষকসকলৰ গুৰুত্বৰ বিষয়ে অৱগত হ'ব পাৰো ।

একেধৰণে গুৰুসকলেও শিষ্যসকলক যোগ্যতা অনুসৰি শ্ৰেষ্ঠতম শিক্ষা প্ৰদান কৰিছিল। দ্ৰোণপুত্ৰ অশ্বত্থামাই অন্যান্য কৌৰৱ-পাণ্ডৱসকলৰ লগত একেলগে শিক্ষাগ্ৰহণ কৰিছিল যদিও গুৰু দ্ৰোণাচাৰ্য্যই একাগ্ৰতা, অধ্যাৱসায়, নিয়মানুৱৰ্তিতা আদি গুণত অদ্বিতীয় অৰ্জুনকহে সকলো অস্ত্ৰ প্ৰয়োগৰ কলা প্ৰদান কৰিছিল, নিজ পুত্ৰ অশ্বত্থামাক নহয় ।

আধুনিক ভাৰতবৰ্ষতো একেই মহান পৰম্পৰা অটুট ৰাখি শিক্ষাগুৰুসকলক যথোপযুক্ত মৰ্যদা প্ৰদান কৰি অহা হৈছে । ড° ৰাধাকৃষ্ণণে কৈছিল, "মই মূলতঃ এজন শিক্ষক আৰু শিক্ষাবৃত্তিৰ প্ৰতি মোৰ আজন্ম অনুৰাগ । তোমালোকে যদি মোৰ জন্মদিন পালন কৰিবলৈ বিচাৰিছা, তেতিয়াহ'লে সেই দিনটো মোৰ জন্মদিনৰ পৰিৱৰ্তে শিক্ষক দিৱস হিচাপে পালন কৰা।" ই শিক্ষকসকলৰ প্ৰতি থকা ৰাধাকৃষ্ণণৰ গভীৰ শ্ৰদ্ধাৰেই নিদৰ্শন । সেই অনুসৰিয়েই ১৯৬২ চনৰ ৫ চেপ্তেম্বৰ তাৰিখৰ পৰা তেখেতৰ জন্ম দিৱসটো শিক্ষকসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ বাবে শিক্ষক দিৱস হিচাপে পালিত হৈ আহিছে । এই দিনটো শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে সামগ্ৰিকভাৱে গোটেই সমাজ জীৱনৰ বাবে এটা পৱিত্ৰতম দিন ।

শিক্ষকতা প্ৰকৃততে এটা বৃত্তি নহয়, ই হৈছে আজন্ম নিয়মানুবৰ্তিতা, শৃংখলাবদ্ধতা, ধৈৰ্য, অধ্যাৱসায় আৰু সেৱাৰ মানসিকতাৰ বহিঃ প্ৰকাশ মাত্ৰ । বৰ্তমান ভাৰতবৰ্ষ বিশ্বৰ ভিতৰতে এখন অগ্ৰণী ৰাষ্ট্ৰ হিচাপে পৰিগণিত হ'বলৈ সমৰ্থ হৈছে । ই প্ৰাচীন ভাৰতবৰ্ষৰ ঋষিমুনিসকলৰ লগতে সাম্প্ৰতিক যুগৰ শিক্ষকসকলৰ জাতি গঠনৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলশ্ৰুতি মাথো ।

ভূমিৰপৰা ভূমালৈ, উন্নতৰপৰা উন্নততম অৱস্থানলৈ সমাজখন গতি কৰিবলৈ হ'লে শিক্ষাগুৰুসকলে মহান ভূমিকা ল'বই লাগিব । অতি সম্প্ৰতি সামাজিক অৱক্ষয়, মূল্যবোধহীনতাই আমাৰ চাৰিওদিশ ছানি ধৰিছে আৰু এই অৱক্ষয়গামী পৰিক্ৰমাৰ পৰা সমাজখনক শুদ্ধ পথলৈ আনিবলৈ হ'লে সমাজত প্ৰয়োজন হোৱা সন্দীপন, দ্ৰোণাচাৰ্য্য আদিৰ দৰে মহান গুৰুৰ স্থান বৰ্তমানৰ শিক্ষকসকলেই পূৰণ কৰিব লাগিব ।

শিক্ষক দিৱসৰ এই পৱিত্ৰ ক্ষণত অসম চৰকাৰৰ শিক্ষা বিভাগৰ তৰফৰ পৰা সমাজৰ দিশ নিৰ্ণায়ক শিক্ষাগুৰুসকললৈ গভীৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনোৱা হ'ল । আশা কৰা হৈছে যাতে তেখেতসকলে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণদেৱৰ আদৰ্শেৰে দেশৰ ভৱিষ্যত প্ৰজন্মক সঠিক পথেৰে আগুৱাই নিব পাৰে । শিক্ষক দিৱসৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰা "শিক্ষাজ্যোতি" শীৰ্ষক এই ই-পুস্তিকাখনৰ জৰিয়তে অসমৰ বিভিন্ন বিদ্যালয়ৰ অনুপ্ৰেৰণামূলক কিছু কাম-কাজৰ ছবি সন্নিবিষ্ট কৰা হৈছে । ইয়াৰ লগতে শিক্ষাক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা সন্মানিত হোৱা শিক্ষক-শিক্ষয়িত্ৰীসকলক পৰিচয় কৰাই দিবলৈ প্ৰয়াস কৰা হৈছে ।

“ওঁ অখণ্ডমণ্ডলাকাৰং ব্যাপ্তং যেন চৰাচৰম্।
তৎপদং দৰ্শিতং যেন তস্মৈ শ্ৰীগুৰৱে নমঃ।।
অজ্ঞান তিমিৰান্ধস্য জ্ঞানঞ্জন শলাকায়া।
চক্ষুৰুন্মীলিতং যেন তস্মৈ শ্ৰীগুৰুৱে নমঃ।।
গুৰুঃ ব্ৰহ্মা গুৰুঃ বিষ্ণু গুৰুঃ দেবোঃ মহেশ্বৰঃ।
গুৰুঃ সাক্ষাৎ পৰম্ ব্ৰহ্ম তস্মৈ শ্ৰীগুৰুৱে নমঃ।।”



অসম চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগৰ অধীনত অসমৰ শিক্ষাৰ ক্ষেত্ৰত পিছপৰা উন্নয়ণ খণ্ডসমূহৰ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উত্থানৰ বাবে CBSE ৰ দ্বাৰা স্বীকৃতি প্ৰাপ্ত ইংৰাজী মাধ্যমৰ আদৰ্শ বিদ্যালয় প্ৰতিষ্ঠা কৰা হৈছে । এই বিদ্যালয় সমূহ আদৰ্শ বিদ্যালয় সংগঠনৰ দ্বাৰা পৰিচালিত । বৰ্তমান অসমত মুঠ ৫৬ খন আদৰ্শ বিদ্যালয় আছে ।

অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাদেৱে জালুকবাৰীৰ ৰংমহলত আদৰ্শ বিদ্যালয় উদ্বোধন কৰাৰ দৃশ্য।

বিশ্বৰ ১২৬ খন দেশৰ প্ৰতিনিধিৰ অংশগ্ৰহণেৰে University of London ত অনুষ্ঠিত Education World Forum Conference ত অসমৰ সন্মানীয় শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, অসম চৰকাৰৰ শৈক্ষিক উপদেষ্টা ড° ননীগোপাল মহন্ত আৰু অসমৰ চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগৰ সচিব শ্ৰী নাৰায়ণ কোঁৱৰ উপস্থিত থাকে আৰু শিক্ষা বিষয়ক বিভিন্ন আলোচনাত অংশগ্ৰহণ কৰে ।



২৩ আগষ্ট, ২০২৩ তাৰিখে ভাৰতবৰ্ষৰ বিজয়ধ্বজা চন্দ্ৰপৃষ্ঠত উৰুৱাবলৈ সক্ষম হৈছিল চন্দ্ৰযান-৩ য়ে । কামৰূপ (ম) জিলাৰ আজাৰাস্থিত ৰাজধৰ বড়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে দেশৰ এই গৌৰৱময় ক্ষণ উপভোগ কৰে অসম চৰকাৰৰ সন্মানীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু সন্মানীয় শিক্ষামন্ত্ৰী ডা: ৰণোজ পেগুৰ উপস্থিতিত ।





'মুক্ত আকাশ' – ছাত্ৰীসকলৰ Menstrual Health and Hygiene ৰ ওপৰত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে ওদালগুৰি জিলাৰ বিভিন্ন বিদ্যালয়ত Piramal Foundation ৰ সহযোগত ৰূপায়ণ কৰা এটা প্ৰকল্প









বঙাইগাঁও জিলাৰ বইটামাৰী শিক্ষাখণ্ডৰ অন্তৰ্গত ৮৭৫ নং মানিকজোৰা প্ৰাথমিক বিদ্যালয়ৰ ওলোমা পুথিভঁড়াল



ডিমা হাচাও জিলাৰ বিদ্যালয়ত অনুষ্ঠিত শিশুমেলা



ডিমা হাচাও জিলাৰ বিদ্যালয়ৰ বিদ্যাৰম্ভ অনুষ্ঠান

ওদালগুৰি জিলাৰ হিন্দী ৰাষ্ট্ৰীয় প্ৰাথমিক বিদ্যালয়ত শিশু-অনুকুল শিক্ষণ-শিকন সঁজুলি আৰু Print Rich Classroom প্ৰস্তুতিত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজৰ অংশগ্ৰহণৰ দৃশ্য








বঙাইগাঁও জিলাৰ মানিকপুৰ শিক্ষাখণ্ডৰ অন্তৰ্গত হাপাচৰা মজলীয়া বিদ্যালয়ত অনুষ্ঠিত শিল্পকলাৰ প্ৰশিক্ষণ শিবিৰ




ডিমা হাচাও জিলাৰ বিদ্যালয়ত বিশ্ব পৰিবেশ দিৱস উদযাপন





ওদালগুৰি জিলাৰ গোলমাগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ত Piramal Foundation ৰ সহযোগত পৰিত্যক্ত শ্ৰেণীকোঠাক পুথিভঁড়াললৈ ৰূপান্তৰিত কৰা হৈছে ।



ডিমা হাচাও জিলাৰ বিদ্যালয়ত ৰাভা দিৱস উদযাপনৰ দৃশ্য



ডিমা হাচাও জিলাৰ বিদ্যালয়ত আন্ত:ৰাষ্ট্ৰীয় যোগ দিৱস




হাইলাকান্দি জিলাৰ ২৬৪ নং সাহাবাদ বালিকা প্ৰাথমিক বিদ্যালয়ত বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতা (FLN) দিৱস উদযাপনৰ দৃশ্য

**দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্গত ২০২২ চনত স্থাপিত নামচাং চাহ বাগিছা আদৰ্শ বিদ্যালয় -**

নামভৰ্ত্তি কৰা মুঠ ৩২৬ জন ছাত্ৰ-ছাত্ৰীৰ ৭০ শতাংশই হৈছে বিদ্যালয় বহিৰ্ভূত ছাত্ৰ-ছাত্ৰী । ২৭ আৰু ২৮ জুন ২০২৩ তাৰিখে Vikram Sarabhai Space Exhibition, Space Application Centre, ISRO, Ahmedabad ৰ সহযোগত এই বিদ্যালয়ত এখনি Miniature Space Exhibition অনুষ্ঠিত হয়, য'ত VSSE,SAC **ৰ প্ৰসিদ্ধ বিজ্ঞানী ড° হেমেন্দ্ৰ কানচৰা আৰু ড° নৰেশ ভট্টৰ তত্বাবধানত** ৰকেট, চেটেলাইট, লেণ্ডাৰৰ ক্ষুদ্ৰ আৰ্হি আৰু Water Rocket উৎক্ষেপণৰ দৃশ্য প্ৰদৰ্শন কৰা হয় ।







# <u>গোলাঘাট জিলাৰ বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উত্তৰণৰ বাবে অৱলম্বন কৰা কিছু পদক্ষেপৰ দৃশ্য</u>





গোলাঘাট জিলাৰ বিভিন্ন বিদ্যালয়ৰ Youth and Eco Club ৰ উদ্যোগত প্ৰতিষ্ঠা কৰা ‘সেউজ গৃহ’ আৰু ৰোপণ কৰা ঔষধি গছ, ফলমূলৰ গছ আৰু পাচলিৰ বাগিছাৰ  দৃশ্য




মৰিগাঁও জিলাৰ মৰিগাঁও অভ্যসন প্ৰাথমিক বিদ্যালয়ৰ সহ: বিদ্যায়তনিক কাৰ্যৰ এটি দৃশ্য।






৪৯ সংখ্যক ৰাষ্ট্ৰীয় বাল বৈজ্ঞানিক প্ৰদৰ্শনী (Rashtriya Bal Vaigyanik Pradarshani) অসম চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগৰ উদ্যোগত আৰু NCERT, নতুন দিল্লীৰ সহযোগত ইংৰাজী ২০২২ বৰ্ষৰ ২২ নৱেম্বৰৰ পৰা ২৬ নৱেম্বৰলৈ অসমৰ গুৱাহাটীস্থিত পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজন কৰা হৈছিল।



এই প্ৰদৰ্শনীৰ মূল বিষয়বস্তু আছিল- “প্ৰযুক্তি আৰু খেলনা”।পৰিৱেশ-অনুকুল সামগ্ৰী, স্বাস্থ্য আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা, ছফ্টৱেৰ আৰু ইয়াৰ প্ৰয়োগ, পৰিবহণ, পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন, আৰু গাণিতিক মডেলিং- এই ৬টা উপ-বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি প্ৰদৰ্শনীৰ ষ্টলসমূহত উদ্ভাৱনমূলক মুঠ ১৫৩টা আৰ্হি (Model) প্ৰদৰ্শিত কৰা হৈছিল। এই প্ৰদৰ্শনীত ভাৰতৰ বিভিন্ন ৰাজ্যৰ মুঠ ৩৯১ জন ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকে অংশগ্ৰহণ কৰিছিল। অসমৰ বিভিন্ন জিলাৰ ১০ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকেও এই প্ৰদৰ্শনী পৰিদৰ্শন কৰিছিল।



'খেলে ইণ্ডিয়া–খিলে ইণ্ডিয়া'-উদ্দেশ্যেৰে ক্ৰীড়াৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ বাবে গোলাঘাট জিলাৰ বিদ্যালয় সমূহত লোৱা কিছু উদ্দ্যোগ










২০২৩ চনৰ ৩-৭ জানুৱাৰী লৈ ভুৱনেশ্বৰৰ RIE ত অনুষ্ঠিত ৰাষ্ট্ৰীয় কলা উৎসৱত শিৱসাগৰ জিলাৰ তিনি গৰাকী, চৰাইদেউ জিলাৰ এগৰাকী আৰু যোৰহাট জিলাৰ এগৰাকী ছাত্ৰই পুৰষ্কাৰ লাভ কৰে । এই উৎসৱত অসমৰ পৰা দুগৰাকী শিক্ষকৰ তত্বাৱধানত মুঠ ১৯ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল ।




তিনিচুকীয়া জিলাৰ বিভিন্ন বিদ্যালয়ৰ সহ:বিদ্যায়তনিক কাৰ্যৰ দৃশ্য

## শোণিতপুৰ জিলাৰ ছিলভাৰ জুবিলী প্ৰাথমিক বিদ্যালয়ৰ কিছু কাম-কাজৰ দৃশ্য-



সাধু কোৱা কাৰ্য





# নলবাৰী জিলাৰ পূৱ নলবাৰী শিক্ষাখণ্ডৰ অন্তৰ্গত বাৰাগ্ৰা বাপুজী প্ৰাথমিক বিদ্যালয়ৰ দৃশ্য



সমগ্ৰ বিদ্যালয় গৃহকেই শিক্ষণ-শিকণ সামগ্ৰী হিচাপে ব্যৱহাৰ কৰা হৈছে



বিদ্যালয়খনৰ ওলোমা পুথিভঁড়াল




তিনিচুকীয়া জিলাৰ কিছু বিদ্যালয়ৰ  হস্তলিখিত পুস্তিকা

দৰং জিলাৰ দলগাওঁ নগৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ কোঠাৰ পৰা বিদ্যালয়খনৰ প্ৰতিটো শ্ৰেণীকোঠাৰ শিক্ষন শিকন প্ৰক্ৰিয়া প্ৰযুক্তিৰ জৰিয়তে নিৰীক্ষণ কৰাৰ ব্যৱস্থা কৰা হৈছে। এই ব্যৱস্থাপনাৰ জৰিয়তে প্ৰতিগৰাকী শিক্ষকে শ্ৰেণীকোঠাৰ আঁসোৱাহ দূৰ কৰাৰ সুযোগ লাভ কৰে। বিদ্যালয়খনত শিক্ষণ শিকণ প্ৰক্ৰিয়া উন্নত হোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ শিকন অৰ্হতা  ক্ৰমশঃ উন্নত হোৱাত এই ব্যৱস্থাপনা সহায়ক হৈছে।





শোণিতপুৰ জিলাৰ ছিলভাৰ জুবিলী প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বৰ্ণমালা শিকন

শোণিতপুৰ জিলাৰ ছিলভাৰ জুবিলী প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ গণিতৰ স্থানীয় মান উলিওৱাৰ ব্যৱহাৰিক শ্ৰেণী





দৰং জিলাৰ উত্তৰ হীৰাপাৰা প্ৰাথমিক বিদ্যালয় কৰ্তৃপক্ষই স্থানীয় ৰাইজ আৰু স্বেচ্ছাসেৱী অনুষ্ঠানৰ সহযোগিতাৰে বাল্য বিবাহৰ প্ৰতিৰোধৰ বাবে সজাগতা মূলক কাৰ্যসূচী ৰূপায়ন কৰে। স্থানীয় আৰক্ষী চকীলৈ ছাত্ৰ-ছাত্ৰীসকলক লৈ গৈ আৰক্ষী বিষয়াৰ দ্বাৰা বাল্য বিবাহ প্ৰতিৰোধ সম্পৰ্কীয় আইন ব্যৱস্থাৰ বিষয়ে জনোৱা হয়।



নলবাৰী জিলাৰ ১৮৭ নং জাগাৰা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী শ্ৰীমতী চিত্ৰলেখা বৰ্মনে অসমৰ থলুৱাভাৱে ব্যৱহৃত কিছু সঁজুলিৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক জ্ঞান প্ৰদান কৰা দৃশ্য



নলবাৰী জিলাৰ ১৭৪ নং বৰ্ণি বালক প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী শ্ৰীমতী অপৰ্ণা কলিতাই ছাত্ৰ-ছাত্ৰীক খাদ্যচক্ৰৰ বিষয়ে ব্যৱহাৰিক শিক্ষাদানৰ দৃশ্য




কৰিমগঞ্জ জিলাৰ নেতাজী নগৰ উচ্চ মাধ্যমিক বিদ্যালয়ত বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ জন্মদিন ছাত্ৰৰ দিন **(Students' Day)** হিচাপে পালনৰ দৃশ্য

ডিমা হাচাও জিলাৰ অন্তৰ্গত **PM POSHAN** আঁচনিৰ অধীনত ৰান্ধনী-সহায়িকা সকলৰ মাজত অনুষ্ঠিত ৰন্ধন প্ৰতিযোগিতা — জি.এন.বি. মডেল এল.পি. স্কুলত।






ধুবুৰী জিলাৰ কামানডাঙ্গা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত PM SHREE SCHOOL SCHEME ৰ অধীনত অনুষ্ঠিত হোৱা বাল্যবিবাহ আৰু ড্ৰাগছ আসক্তিৰ বিৰুদ্ধে সজাগতা অনুষ্ঠান



বঙাইগাঁও জিলাৰ হাপাচৰা মজলীয়া বিদ্যালয়ত বৰষুণৰ পানী সংৰক্ষণ (Rain Water Harvesting) ব্যৱস্থাপনাৰ দৃশ্য





২৯ আগষ্ট ২০২৩ তাৰিখে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে পলাশবাৰী আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়ৰ Eco & Youth Club ৰ দ্বাৰা আয়োজিত পলাশবাৰী আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয় আৰু পশ্চিম ৰামচৰণী উচ্চ মাধ্যমিক বিদ্যালয়ৰ মাজৰ ফুটবল খেলৰ দৃশ্য।

শব্দ শিকন – শোণিতপুৰ জিলাৰ বালিপাৰা শিক্ষাখণ্ডৰ অন্তৰ্গত মণি জাৰণি প্ৰাথমিক বিদ্যালয়ৰ দৃশ্য






নলবাৰী জিলাৰ মাখিবাহা বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ এটা শ্ৰেণীকোঠা সহঃ বিদ্যায়তনিক কাৰ্যৰ বাবে এখন মঞ্চলৈ ৰূপান্তৰিত কৰা হৈছে, যাৰ বাবে ব্যয় হৈছিল মাত্ৰ ৫০০০ টকা।



খবৰ ৬ ফেব্ৰুৱাৰী, সোমবাৰ, ২০২৩ অসমীয়া খবৰ ৯

**ধূলাত বাল্য বিবাহৰ বিৰুদ্ধে ছাত্ৰ-ছাত্ৰীৰ সজাগতামূলক কাৰ্যসূচী**

**আমাৰ খবৰ, মঙলদৈ, ৫ ফেব্ৰুৱাৰী :** সমগ্ৰ ৰাজ্যতে অসম চৰকাৰে বাল্য বিবাহৰ বিৰুদ্ধে জোৰদাৰ অভিযান চলাই থকাৰ সময়তে আজি দৰং জিলাৰ মঙলদৈ নগৰৰ নিকটবৰ্তী ধূলাত প্ৰাথমিক বিদ্যালয়ৰ একাংশ কণ কণ ছাত্ৰ-ছাত্ৰীয়ে বাল্য বিবাহৰ বিৰুদ্ধে সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা কাৰ্যই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। উল্লেখযোগ্য যে আজি দেওবাৰে চৰকাৰী বন্ধৰ মাজতো উত্তৰ হীৰাপাৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ছাজিদা বৰাৰ নেতৃত্বত বিদ্যালয়খনৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে শিক্ষামূলক ভ্ৰমণৰ জৰিয়তে সমাজত প্ৰচলিত বাল্য বিবাহৰ বিৰুদ্ধে এক সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰে। এই কাৰ্যসূচীৰ জৰিয়তে বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী ছাজিদা বৰাই কণ কণ ছাত্ৰ-ছাত্ৰীসকলক ধূলা থানালৈ লৈ যায়। থানাত ছাত্ৰ-ছাত্ৰীসকলে আৰক্ষী বিষয়াৰ সৈতে মত বিনিময় কৰে। ধূলা থানাৰ এ এছ আই আব্দুল খালেকে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰি কয় যে ছোৱালীৰ ১৮ বছৰ আৰু ল'ৰাৰ ২১ বছৰৰ আগতে বিবাহপাশত আবদ্ধ হোৱাটো আইন মতে অপৰাধ। আৰক্ষী বিষয়াগৰাকীয়ে বিশেষকৈ ছাত্ৰীসকল অপৈণত বয়সত বিবাহপাশত আবদ্ধ নহৈ ভালদৰে উচ্চ শিক্ষা গ্ৰহণ কৰি নিজকে উপযুক্ত কৰি তুলিবলৈ আহ্বান জনায়। বিষয়াগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক থানাৰ ভিতৰৰ পৰিৱেশো দেখুৱায়। তদুপৰি বাল্য বিবাহ কৰোৱাসকলক কিদৰে থানাৰ লকআপত ৰাখি শাস্তি প্ৰদান কৰা হয় সেই সন্দৰ্ভতো ছাত্ৰ-ছাত্ৰীসকলক বুজাই দিয়া হয়। অনুষ্ঠানত ধূলা থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় চানেয়কো উপস্থিত থাকে। ছাত্ৰ-ছাত্ৰীসকলক থানাৰ নিকটবৰ্তী ধূলা স্বাস্থ্যকেন্দ্ৰলৈ নি স্বাস্থ্যকেন্দ্ৰত ৰোগীক কেনেদৰে চিকিৎসা প্ৰদান কৰা হয় সেই সন্দৰ্ভতো আভাস দিয়া হয়। বাল্য বিবাহৰ এই সজাগতামূলক কাৰ্যসূচীত বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি ছিদ্দিক আলী, উপ-সভানেত্ৰী ছেৰিণা বেগম, পৰিচালনা সমিতিৰ সদস্য হাফিজ গিয়াছুদিন আহমেদ, কছৰ আলী, ফাতিমা বেগম, সমাজকৰ্মী মিজানুৰ ৰহমান, আব্দুল লতিফ, আছিয়া বেগমৰ লগতে একাংশ অভিভাৱক, যুৱক-যুৱতী, কিশোৰ-কিশোৰীয়ে অংশগ্ৰহণ কৰে।

বিলাসীপাৰাত নামনি অসম ভিত্তিত




প্লাষ্টিকৰ বটলত পলিথিন, বিস্কুটৰ বাকলি আদি ভৰাই ইটা বনোৱা প্ৰশিক্ষণ — নলবাৰী জিলাৰ বনভাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত।




শোণিতপুৰ জিলাৰ বালিপাৰা শিক্ষাখণ্ডৰ অন্তৰ্গত ছিলভাৰ জুবিলী প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে আকাশবাণী তেজপুৰৰ ৰেডিঅ' অনুষ্ঠান এটাত ভাগ লোৱা দৃশ্য

বৰপেটা জিলাৰ ড° কে.কে. দাস মেমোৰিয়েল উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত অনুষ্ঠিত গ্ৰীষ্মকালীন শিবিৰত মাজুলীৰ মুখা শিল্পৰ বিষয়ে শিক্ষা লাভ কৰে ছাত্ৰ-ছাত্ৰীসকলে –










অসম চৰকাৰৰ শিক্ষা বিভাগে নতুনকৈ স্থাপন কৰা ১৯ খন চাহ বাগিছা আদৰ্শ বিদ্যালয়ৰ অধ্যক্ষ আৰু শিক্ষক সকলৰ বাবে অনুষ্ঠিত Orientation Programme.




অসম চৰকাৰৰ বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতা (FLN)ৰ শিকন সামগ্ৰী বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ অনুষ্ঠান

তেজপুৰ বিশ্ববিদ্যালয়ৰ উদ্যোগত শোণিতপুৰ জিলাৰ বালিপাৰা শিক্ষাখণ্ডত অনুষ্ঠিত প্ৰাথমিক শিক্ষকৰ ইংৰাজী কথন সম্পৰ্কীয় আলোচনাচক্ৰৰ দৃশ্য





**ইংৰাজী বাক্য গঠনৰ শিক্ষা -**







শোণিতপুৰ জিলাৰ বালিপাৰা শিক্ষাখণ্ডৰ অন্তৰ্গত চেঙেলীমৰা চৰকাৰী বালিকা প্ৰাথমিক বিদ্যালয়ত



কামৰূপ (ম) জিলাৰ অন্তৰ্গত তাৰিণীচৰণ চৌধুৰী উচ্চতৰ মাধ্যমিক আৰু **বহুমুখী** বালিকা বিদ্যালয়ত অভিনৱ বিন্দ্ৰা ফাউণ্ডেচনে অনুষ্ঠিত কৰা ক্ৰীড়াৰ দৃশ্য

কামৰূপ (ম) জিলাৰ অন্তৰ্গত তাৰিণীচৰণ চৌধুৰী উচ্চতৰ মাধ্যমিক আৰু **বহুমুখী** বালিকা বিদ্যালয়ৰ শিল্পকলাৰ শ্ৰেণী



ৰাষ্ট্ৰীয় শিক্ষানীতি (NEP) ২০২০ ৰ তৃতীয় বৰ্ষপূৰ্তি উপলক্ষে ২৯ জুলাই ২০২৩ তাৰিখে নতুন দিল্লীৰ প্ৰগতি ময়দানত অনুষ্ঠিত অখিল ভাৰতীয় শিক্ষা সমাগমত অসম চৰকাৰে এইক্ষেত্ৰত লোৱা বিভিন্ন পদক্ষেপৰ প্ৰদৰ্শন কৰা হয় য'ত বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতা (FLN) আৰু প্ৰাক্ শৈশৱকালীন যত্ন আৰু শিক্ষা (ECCE) ৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়।














কামৰূপ (ম) জিলাৰ কটন কলেজিয়েট চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু প্ৰাক্তন শিক্ষাৰ্থীসকলে ২৮ আগষ্ট, ২০২৩ তাৰিখে উত্তৰ গুৱাহাটীত অৱস্থিত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (I.I.T.) ভ্ৰমণ কৰে আৰু প্ৰতিষ্ঠানটোৰ Design বিভাগৰ শেহতীয়া গৱেষণা আৰু Super Computing Facilities ৰ বিষয়ে জ্ঞান লাভ কৰে । তেওঁলোকে ভ্ৰমণকালত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (I.I.T.), গুৱাহাটীত কৰ্মৰত স্কুলখনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ লগতো মত বিনিময় কৰে ।



**Human Trafficking** আৰু **Cyber Law** ৰ বিষয়ে আইন সাক্ষৰতা শ্ৰেণী- কামৰূপ (ম) জিলাৰ তাৰিণীচৰণ চৌধুৰী উচ্চতৰ আৰু **বহুমুখী** বালিকা বিদ্যালয়ত।

যোৱা ইং ৩ মে তাৰিখে সমগ্ৰ শিক্ষা, অসমৰ কাৰ্য্যালয়ত, মাননীয় শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু দেৱে প্ৰাক-প্ৰাথমিক শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ E-Textbook ৰ শুভ উদ্বোধনী কৰে। এই পাঠ্যপুথি সমুহ ৮টা মাধ্যম আৰু ১৯টা ভাষাত SCERT, SEBA আৰু AHSEC ৰ PORTAL ত উপলব্ধ থাকিব ।








G20 সন্মিলনৰ অংশ হিচাপে পুণেত অনুষ্ঠিত দুদিনীয়া বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতা (FLN)ৰ ৰাষ্ট্ৰীয় সমাৰোহত সমগ্ৰ শিক্ষা, অসমৰ দ্বাৰা বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতাৰ সামগ্ৰীৰ প্ৰদৰ্শনীৰ দৃশ্য।

বঙাইগাওঁ জিলাৰ অতি ভিতৰুৱা অঞ্চলত অৱস্থিত দৰ্শাটিলা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী শ্ৰীমতী জুৰি দাসে বিদ্যালয়লৈ যোৱা পথত ছাত্ৰ-ছাত্ৰীসকলক সৰু নাৱেৰে হৰিপানী নদী পাৰ কৰোৱা দৃশ্য।







কামৰূপ জিলা প্ৰশাসন তথা শিক্ষা বিভাগৰ উদ্যোগত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (I.I.T.) গুৱাহাটীৰ সহযোগত JEE/AIEEE আদি পৰীক্ষাত অৱতীৰ্ণ হ'ব খোজা চৰকাৰী খণ্ডৰ বিদ্যালয়/মহাবিদ্যালয়ত অধ্যয়নৰত ২০ গৰাকী প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীকলৈ ছুপাৰ-২০ শীৰ্ষক এক কাৰ্যক্ৰম ৰূপায়ণৰ বাবে ২৩ জুন, ২০২৩ তাৰিখে এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। ইয়াৰ আধাৰত ইতিমধ্যে কাৰ্যক্ৰম আৰম্ভ হৈছে।

কামৰূপ (ম) জিলাৰ আয়ুক্ত শ্ৰী পল্লৱ গোপাল ঝাৰ গুৱাহাটী মহানগৰীৰ বিদ্যালয় পৰিদৰ্শনৰ দৃশ্য-






আদৰ্শ বিদ্যালয়ৰ এজন ছাত্ৰৰ দ্বাৰা নিৰ্মিত চন্দ্ৰযান-৩ ৰ প্ৰতিফলক

**প্ৰায়োগিক পদ্ধতিৰে বিজ্ঞান আৰু গণিতৰ সহজ শিক্ষা** ——

বিশ্বনাথ জিলাৰ চেঙামাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক শ্ৰী ৰিপুঞ্জয় বৰদলৈয়ে ছাত্ৰ-ছাত্ৰীসকলৰ বিজ্ঞান-গণিত ভীতি দূৰ কৰিবলৈ ব্যৱহাৰিক পদ্ধতিৰে আনন্দদায়ক শিকনৰ মাধ্যমেৰে শিক্ষা প্ৰদানত বিশেষ গুৰুত্ব আৰোপ কৰি আহিছে । তেনেকুৱা কিছু শিক্ষণ-শিকনৰ দৃশ্য ——










যোৱা ২২ আগষ্ট ২০২৩ তাৰিখৰ পৰা সমগ্ৰ শিক্ষা, অসম আৰু Samvad, NIMHANS ৰ যুটীয়া উদ্যোগত অনুষ্ঠিত “শিশুৰ মানসিক স্বাস্থ্য তথা সুৰক্ষা”ৰ বিষয়ে মুখ্য প্ৰশিক্ষক (Master Trainer) সকলৰ ৬ দিনীয়া আৱাসিক প্ৰশিক্ষণৰ কিছু দৃশ্যাংশ ——






কামৰূপ (ম) জিলাৰ অন্তৰ্গত বিদ্যালয়ত ‘Water bell’ ৰূপায়ণৰ সময়ৰ দৃশ্য -


Srimanta Sankardev LPS


Dakhingaon LPS

কামৰূপ (ম) জিলাৰ প্ৰভাদেৱী গুপ্তা মধ্য ইংৰাজী বিদ্যালয় আৰু Happy Montessori High School ৰ মাজৰ Twinning Programme








কামৰূপ (ম) জিলাৰ অন্তৰ্গত কটন কলেজিয়েট চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ যোগ শিক্ষাৰ শ্ৰেণী

কামৰূপ (ম) জিলাৰ অন্তৰ্গত কটন কলেজিয়েট চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ  সংগীত শিক্ষাৰ শ্ৰেণী-



কামৰূপ (ম) জিলাৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে কৰা 'প্ৰস্তৰ শিল্প' (Stone Art)













বিশ্বনাথ জিলাৰ বিহালী শিক্ষাখণ্ডৰ অন্তৰ্গত জিনজিয়া মহাবীৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ পাচলি বাগিছাৰ দৃশ্য- ২০১৮ চনৰ পৰা আৰম্ভ হোৱা পাচলি বাগিছাখনৰ মুঠ মাটিকালিৰ পৰিমাণ হৈছে ৪ বিঘা । বতৰৰ সকলো ফলমূল আৰু পাচলিৰ খেতি ইয়াত জৈৱিক পদ্ধতিৰে কৰা হয় ।








বিশ্বনাথ জিলাৰ বিহালী শিক্ষাখণ্ডৰ অন্তৰ্গত গোলাপুখুৰী প্ৰাথমিক বিদ্যালয়ৰ পাচলি বাগিছাৰ দৃশ্য – বাগিছাখনৰ মুঠ মাটিকালিৰ পৰিমান ২ কঠা ।

আদৰ্শ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাঙ্গীন বিকাশৰ বাবে লোৱা বিভিন্ন কাৰ্যসূচীৰ দৃশ্য









**আৰোহণ** কাৰ্যসূচীৰ অধীনত কামৰূপ জিলাৰ ২৭৩ গৰাকী শিক্ষাৰ্থীয়ে যোৱা ২১ আগষ্ট ২০২৩ তাৰিখে জিলাখনৰ তিনিটাকৈ ৰাষ্ট্ৰীয় অনুষ্ঠান ক্ৰমে NLU & JA, AIIMS আৰু IIT দৰ্শন কৰাৰ লগতে জিলাখনৰ সন্মানীয় আয়ুক্ত, IIT ৰ সঞ্চালকৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ সৈতে মত-বিনিময় কৰে ।







২০২৩ বৰ্ষৰ ভাৰত চৰকাৰৰ কৃতী শিক্ষকৰ ৰাষ্ট্ৰীয় বঁটাৰ বাবে নিৰ্বাচিত হৈ অসমলৈ গৌৰৱ কঢ়িয়াই অনা শিক্ষাগুৰু - **শ্ৰী কুমুদ কলিতা**। কলিতাদেৱ বৰ্তমান বজালী জিলাৰ পাঠশালা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ স্নাতকোত্তৰ শিক্ষক ৰূপে কৰ্মৰত।



শিক্ষাজগতলৈ অনবদ্য অৱদান আগবঢ়োৱা শিক্ষাগুৰুসকলক অসম চৰকাৰে প্ৰতি বছৰে কৃতী শিক্ষকৰ ৰাজ্যিক বঁটাৰে সন্মানিত কৰি আহিছে। ২০২৩ বৰ্ষৰ ৰাজ্যিক বঁটাৰে সন্মানিত হোৱা কৃতী শিক্ষকসকল হৈছে-



তাপস কুমাৰ সৰকাৰ
সহঃ শিক্ষক
চেইন্ট জোছেফ হাইস্কুল
বৰপেটা



হিৰণ্য কুমাৰ নাথ
সহঃ শিক্ষক
বাপুজী ছোৱালী হাইস্কুল
দৰং



ধীৰেন্দ্ৰনাথ বৰুৱা
প্ৰধান শিক্ষক
গোলমাগাঁও হাইস্কুল
ওদালগুৰি



মোক্তাচিদুজ জামান আজাদ
সহঃ শিক্ষক
ফাতেঙ্গাপাৰা হাইস্কুল
গোৱালপাৰা



অনিমা দাস
অতিৰিক্ত শিক্ষক
লেঙ্গেৰীয়াঝাৰ কৃষক উচ্চতৰ মাধ্যমিক বিদ্যালয়
দৰং



দেওবৰ ৰামচিয়াৰী
প্ৰধান শিক্ষক
বৰমা ছোৱালী হাইস্কুল
বাক্সা



হৰি ভাগৱতী
অধ্যক্ষ
জৱাহৰজ্যোতি উচ্চতৰ
মাধ্যমিক বিদ্যালয়
লখিমপুৰ



মদনমোহন কলিতা
সহঃ শিক্ষক
ডোৰাকহৰা হাইস্কুল
কামৰূপ



ভগৱান বৈশ্য
প্ৰধান শিক্ষক
ভৃঙ্গেশ্বৰ হাইস্কুল
কামৰূপ



ভূষণচন্দ্ৰ চহৰীয়া
প্ৰধান শিক্ষক
বুঢ়া এল.পি. হাইস্কুল
দৰং



হেৰেম্বা বাৰুকিয়াল
অধ্যক্ষ
বোকাখাত উচ্চতৰ মাধ্যমিক
বিদ্যালয়
গোলাঘাট



ৰানিশ চন্দ্ৰ ৰামচিয়াৰী
অধ্যক্ষ
আঠিয়াবাৰী বিদ্যামন্দিৰ
উচ্চতৰ মাধ্যমিক বিদ্যালয়
বাক্সা



মৃনাল খাউণ্ড
প্ৰধান শিক্ষক
মুহিৰাম হাজৰিকা উচ্চ
মাধ্যমিক বিদ্যালয়
গোলাঘাট



প্ৰদীপ কুমাৰ পাটৰ
সহঃ শিক্ষক
অলকাপুৰ এছ এছ কে
মাধ্যমিক বিদ্যালয়
মৰিগাঁও



পৱন কুমাৰ কলিতা
স্নাতকোত্তৰ শিক্ষক
ছিপাঝাৰ উচ্চতৰ
মাধ্যমিক আৰু **বহুমুখী**
বিদ্যালয়
দৰং



গুণীন্দ্ৰ নাথ ওজা
সহঃ শিক্ষক
ড০ কে.কে.দাস স্মাৰক ছোৱালী
উচ্চ মাধ্যমিক বিদ্যালয়
বৰপেটা



প্ৰদীপ শইকীয়া
সহঃ শিক্ষক
ফিল'বাৰী উচ্চ
মাধ্যমিক বিদ্যালয়
তিনিচুকীয়া



ভূপেন গোহাঁই
প্ৰধান শিক্ষক
চাচনী যমুনামুখ উচ্চ
মাধ্যমিক বিদ্যালয়
**ডিব্ৰুগড়**



মৰম জ্যোতি দাস
স্নাতকোত্তৰ শিক্ষক
হিন্দী উচ্চতৰ মাধ্যমিক
বিদ্যালয়
বঙাইগাঁও



দেৱজিত ঘোষ
সহঃ শিক্ষক
নামচাং চাহ বাগিছা
আদৰ্শ বিদ্যালয়
**ডিব্ৰুগড়**



উপেন গোস্বামী
প্ৰধান শিক্ষক
আমচং চাহ বাগিছা আদৰ্শ
বিদ্যালয়
কামৰূপ (ম)



নলিনী কুমাৰ মজুমদাৰ
প্ৰধান শিক্ষক
কছাৰী পথাৰ মধ্য
ইংৰাজী বিদ্যালয়
**ডিব্ৰুগড়**



বাবুল ৰহমান চৰকাৰ
প্ৰধান শিক্ষক
মধুশৌলমাৰী দাৰুল উলুম
এম ই মাদ্ৰাছা
ধুবুৰী



ৰাবিয়া বেগম
সহঃ শিক্ষয়িত্ৰী
২ নং মঠঘৰীয়া প্ৰাথমিক
বিদ্যালয়
কামৰূপ (ম)



মাধুৰিমা বৰা
সহঃ শিক্ষয়িত্ৰী
শ্ৰী শংকৰদেৱ প্ৰাথমিক
বিদ্যালয়
**ডিব্ৰুগড়**



আম্বিয়া বেগম
প্ৰধান শিক্ষয়িত্ৰী
আকাবস্তি মিৰি প্ৰাথমিক
বিদ্যালয়
শোণিতপুৰ



নিৰু নাথ
সহঃ শিক্ষক
ঢেকেৰীপেটা প্ৰাথমিক
বিদ্যালয়
গোলাঘাট



ৰুদ্ৰ সিং ৰাভা
প্ৰধান শিক্ষক
খিলামাৰা বাখৰাপাৰা প্ৰাথমিক
বিদ্যালয়
গোৱালপাৰা



গিৰীন্দ্ৰ কাশ্যপ
প্ৰধান শিক্ষক
গলিয়া প্ৰাথমিক
বিদ্যালয়
নলবাৰী



ৰাণু ফুকন
প্ৰধান শিক্ষয়িত্ৰী
সাপেখাইটি খণ্ড প্ৰাথমিক
বিদ্যালয়
চৰাইদেউ



চন্দন ত্ৰিপাঠী
প্ৰধান শিক্ষক
৭৫৪ নং লালচেড়া প্ৰাথমিক
বিদ্যালয়
কৰিমগঞ্জ



উষাৰাণী বায়ন
প্ৰধান শিক্ষক
৫৮৬ নং গেৰুৱা বগৰীগুৰি
প্ৰাথমিক বিদ্যালয়
ওদালগুৰি



ভূপেন্দ্ৰ কোঁৱৰ
প্ৰধান শিক্ষক
পূব সোণাপুৰ প্ৰাথমিক
বিদ্যালয়
কামৰূপ



খবিৰুদ্দিন আহমেদ
প্ৰধান শিক্ষক
দলগাঁও টাউন প্ৰাথমিক
বিদ্যালয়
দৰং



জুৰি দাস
প্ৰধান শিক্ষয়িত্ৰী
দৰ্শাটিলা প্ৰাথমিক
বিদ্যালয়
বঙাইগাঁও



ৰঞ্জন শইকীয়া
সহঃ শিক্ষক
লোকনায়ক অমিয় কুমাৰ
দাস প্ৰাথমিক বিদ্যালয়
শোণিতপুৰ